প্ৰেছ্ বিজ্ঞপ্তি

১৩ দফীয়া দাবীৰে ৰাজ্যজুৰি কলেজ শিক্ষকৰ প্ৰতিবাদ, চচলত কেন্দ্ৰীয় ধৰ্ণা

১৩ দফীয়া দাবী পূৰণৰ দাবীত ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে অসম কলেজ শিক্ষক সংস্থাই। গুৱাহাটীৰ চচলত অনুষ্ঠিত হয় কেন্দ্ৰীয় ধৰ্ণা।

প্ৰকাশ: ২৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৬


Assam College Teachers' Association

An organization of provincialized college teachers of Assam

Regd.No.51/1236/1955/57

Affiliated to All India Federation of University and College Teachers' Organization

ACTA House, Solapar, Guwahati - 781008, Assam

Website:www.acta.org.in

Email:actaassam@gmail.com

Dr. Bipul Chakrabarty
President
Mob.: 9435801957

Dr. Parag Jyoti Mahanta
General Secretary
9365082146, 8486850264

No. ACTA/2025-2026/57 Date: 23-11-2026

সম্মানীয় সাংবাদিক বন্ধু সকল,

নমস্কাৰ গ্ৰহণ কৰিব।

আজি, অৰ্থাৎ ২৩/১১/২৬ তাৰিখ সোমবাৰে পুৱা ১১ বজাৰ পৰা ২ বজালৈ অসমৰ কলেজ শিক্ষকসকলৰ প্ৰতি অসম চৰকাৰে কৰা অবিচাৰ, তথা কৰ্মক্ষেত্ৰ আৰু শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশ সম্পৰ্কীয় বহুদিনীয়া সমস্যা সমূহৰ ক্ষেত্ৰত চৰকাৰে প্ৰকাশ কৰা অনীহা আৰু প্ৰাপ্যৰ পৰা আজিকোপতি বঞ্চিত কৰি ৰখাৰ প্ৰতিবাদ হিচাপে গুৱাহাটীৰ চলিত প্ৰতিবাদী সভা আৰু ধৰ্না ৰ আয়োজন কৰা হৈছে। উক্ত প্ৰতিবাদী সভাত আপোনালোক ৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিলোঁ।

আশাকৰোঁ আমাৰ সমস্যা আৰু দাবীসমূহ সঠিকভাৱে আপোনালোকে ৰাহিজৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত তথা চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ বাবে মুখ্য ভূমিকা পালন কৰিব।

ধন্যবাদেৰে ..

ড০ পৰাগ জ্যোতি মহন্ত
সাধাৰণ সম্পাদক
অসম কলেজ শিক্ষক সংস্থা

College teachers protest

গুৱাহাটী, ২৩ নৱেম্বৰ: অসম কলেজ শিক্ষক সংস্থা (এক্টা)-ৰ আহ্বানত ১৩ দফীয়া দাবী পূৰণৰ দাবীত আজি ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে মহাবিদ্যালয়ৰ শিক্ষকসকলে। সংস্থাৰ দ্বিতীয় পৰ্যায়ৰ আন্দোলনৰ অংশ হিচাপে ৰাজ্যৰ প্ৰাদেশিকীকৃত মহাবিদ্যালয়সমূহত অৱস্থান ধৰ্মঘট, কলমবিৰতি আৰু অসহযোগ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গুৱাহাটীৰ চচলত কেন্দ্ৰীয়ভাৱে ধৰ্ণা কাৰ্যসূচী অনুষ্ঠিত হয়।

এক্টাৰ সভাপতি ড০ বিপুল চক্ৰৱৰ্তী আৰু সাধাৰণ সম্পাদক ড০ পৰাগ জ্যোতি মহন্তই এক প্ৰেছ্ বিবৃতিযোগে জনায় যে শিক্ষকসকলৰ দীৰ্ঘদিনীয়া সেৱা আৰু আৰ্থিক দাবীসমূহৰ প্ৰতি চৰকাৰৰ নিৰৱচ্ছিন্ন নিষ্ক্ৰিয়তাৰ প্ৰতিবাদতে এই আন্দোলন গঢ়ি তোলা হৈছে।

ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী

পুৱা ১০ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ ৰাজ্যৰ প্ৰাদেশিকীকৃত মহাবিদ্যালয়সমূহত শিক্ষকসকলে নিজ নিজ মহাবিদ্যালয় চৌহদত অৱস্থান ধৰ্মঘট পালন কৰে। গুৱাহাটীৰ চচলত পুৱা ১১ বজাৰ পৰা দুপৰীয়া ২ বজালৈ কেন্দ্ৰীয় ধৰ্ণা কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰতিবাদৰ সময়ত শিক্ষকসকলে শ্ৰেণীকোঠাৰ পাঠদান আৰু প্ৰশাসনিক কাম-কাজৰ পৰা বিৰত থাকে। নলবাৰীৰ কামৰূপ মহাবিদ্যালয়কে ধৰি ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়তো শিক্ষকসকলে প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ পূৰ্বে ৩০ অক্টোবৰতো সংস্থাই ৰাজ্যজুৰি কলমবিৰতি আৰু অৱস্থান ধৰ্মঘট পালন কৰিছিল।

সংস্থাৰ মূল দাবীসমূহ

সংস্থাটোৱে উত্থাপন কৰা ১৩ দফীয়া দাবীৰ ভিতৰত উল্লেখযোগ্য হৈছে— বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউজিচি)-ৰ নীতি-নিৰ্দেশনা অনুসৰি সময়মতে পদোন্নতি আৰু বকেয়া ধন মোকলাই দিয়া, এমফিল আৰু পিএইচডি ডিগ্ৰীৰ বাবে প্ৰাপ্য অতিৰিক্ত ইনক্ৰিমেণ্ট প্ৰদান, নতুন পেঞ্চন আঁচনি (এনপিএছ) বাতিল কৰি পুৰণি পেঞ্চন আঁচনি (অ'পিএছ) পুনৰ প্ৰৱৰ্তন কৰা।

ইয়াৰ উপৰি শিক্ষকসকলৰ অৱসৰৰ বয়স ৬৫ বছৰলৈ বৃদ্ধি কৰা, খালী হৈ থকা শিক্ষক পদসমূহ পূৰণ কৰা, নিৰ্দিষ্ট বেতনভুক্ত শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ, ২০১৩ চনৰ কাৰ্যালয় স্মাৰকপত্ৰ সম্পৰ্কীয় সমস্যা সমাধান কৰি পূৰ্বৰ সেৱাকালৰ ভিত্তিত জ্যেষ্ঠতা নিৰ্ধাৰণ কৰা আৰু ছুটীৰ নিয়ম সঠিকভাৱে ৰূপায়ণ তথা পাৰস্পৰিক বদলি প্ৰক্ৰিয়া সৰলীকৰণৰ দাবী জনায় সংস্থাটোৱে।

শীঘ্ৰে আলোচনাৰ আহ্বান

সংস্থাৰ অভিযোগ অনুসৰি, ২০২৪ চনৰ পৰাই এই দাবীসমূহৰ সন্দৰ্ভত চৰকাৰক স্মাৰকপত্ৰ আৰু আবেদন দাখিল কৰি অহা হৈছে। ৩০ অক্টোবৰৰ আন্দোলনৰ পাছত চৰকাৰী পক্ষৰ সৈতে আলোচনাৰ প্ৰচেষ্টা চলিছিল যদিও কোনো কাৰ্যকৰী সমাধান বা লিখিত আশ্বাস পোৱা নগ'ল।

সংস্থাৰ সভাপতি ড০ বিপুল চক্ৰৱৰ্তী আৰু সাধাৰণ সম্পাদক ড০ পৰাগ জ্যোতি মহন্তই চৰকাৰক শীঘ্ৰে ফলপ্ৰসূ আলোচনা আৰম্ভ কৰি সমস্যাসমূহ সমাধান কৰিবলৈ আহ্বান জনায়। দাবীসমূহ পূৰণ নহ'লে আগন্তুক দিনত অধিক তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব বুলিও সংস্থাই সকীয়নি দিয়ে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5495/assam-college-teachers-association-protest-guwahati-demands